# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 8-04-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::***

## HEADLINES

১। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। ৰাজ্যত ৫ টা সমষ্টিত ৬৪ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।
২। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বিজেপিকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কাইলৈ ডিব্ৰুগড় আৰু শোণিতপুৰত প্ৰচাৰ। দলীয় প্ৰাৰ্থীৰ হৈ আম আদমী পাৰ্টীৰ নেত্ৰী আতিশীৰ দুলীয়াজানত ৰোড শ্ব'ত অংশগ্ৰহণ।
৩। লোকসভা নিৰ্বাচনৰ বাবে অসম জাতীয় পৰিষদৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ।
৪। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনলৈ মাজত মাথো ১০ দিন বাকী থকা অৱস্থাত ভোটাৰক সজাগ কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনৰ বিভিন্ন পদক্ষেপ গ্ৰহণ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

00000

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিনা ৰাজ্যখনত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ ফলত এই পৰ্যায়ত ৬৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। আজি ডিফু সমষ্টিত এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ত দৰং- ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনৰ বাবে ৬৫ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি ঘোষণা কৰা হৈছিল। এই পৰ্যায়ত বিজেপিৰ হৈ দৰং-ওদালগুৰিত সাংসদ দিলীপ শইকীয়া, কৰিমগঞ্জত কৃপানাথ মাল্লা, শিলচৰত পৰিমল শুক্লবৈদ্য, নগাঁৰত সুৰেশ বৰা আৰু ডিফুত অমৰ সিং টিছ'ৱে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ বিপৰীতে নগাঁৰত কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ, শিলচৰত দলটোৰ প্ৰাৰ্থী সূৰ্যকান্ত সৰকাৰ, দৰং-ওদালগুৰিত মাধৱ ৰাজবংশী, কৰিমগঞ্জত হাফিজ ৰচিদ আহমেদ চৌধুৰী আৰু ডিফুত জয়ৰাম ইংলেঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত শিলচৰত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী, প্ৰাক্তন সাংসদ ৰাধেশ্যাম বিশ্বাস, ওদালগুৰিত বিপি এফৰ দুৰ্গাদাস বড়ো আৰু কৰিমগঞ্জত এ আই ইউ ডি এফৰ নেতা চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

00000

লোকসভাৰ পাঁচখন আসনৰ বাবে অসমত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ ডিব্ৰুগড় আৰু শোণিতপুৰত জনসমাবেশত অংশ ল'ব। মন্ত্ৰী শ্বাহৰ লগতে সমাবেশসমূহত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব।

আম আদমী পাৰ্টিৰ নেত্ৰী আতিশীয়ে ডিব্ৰুগড়ৰ দুলীয়াজানত আয়োজিত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছে। নেত্ৰীগৰাকীয়ে ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰ আৰু ঋষিৰাজ কৌন্দিন্যৰ হৈ প্ৰচাৰ চলাব। কাইলৈ তেওঁ তিনিচুকীয়াত সংবাদ প্ৰতিষ্ঠানৰ সৈতে মত-বিনিময়ৰ লগতে মাৰ্ঘেৰিটাত মটৰ চাইকেল সমদল আৰু নিৰ্বাচনী সভাত অংশ ল'ব। ১০ এপ্ৰিলত তেওঁ তেজপুৰৰ প্ৰাৰ্থীগৰাকীৰ হৈ ৰোড শ্ব'ত অংশ ল'ব।

কাইলৈ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, ৰাষ্ট্ৰীয় মুখ্য সম্পাদক জীতেন্দ্ৰ সিং আৰু যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তথা সাংসদ গৌৰৱ গগৈয়েও বিভিন্ন ঠাইত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশ ল'ব।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিত যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ সাপেখাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত আয়োজিত বিজয় সংকল্প সমাবেশত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ চৰকাৰে কন্যাশিশুৰ শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। ডঃ শৰ্মাই আজি শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত আয়োজিত বিজেপিৰ এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। এই সভাত দলৰ নিৰ্বাচনী ৰণকৌশল সন্দৰ্ভত আলোচনা কৰা হয়। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ১৪ খন আসনৰ ভিতৰত দুখন আসনতহে প্ৰতিদ্বন্দ্বিতা হ'ব বুলি মন্তব্য কৰে। ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নৱগঠিত মাকুম বিধানসভা সমষ্টিত প্ৰচাৰ চলায়। ইপিনে, সমষ্টিটোৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী তথা অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে আজি মাৰ্ঘেৰিটা বিধানসভা সমষ্টিত কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি মহানগৰীৰ বিভিন্ন অঞ্চলত কেইবাটাও প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়। তেওঁ দুধনৈ, দৰংগিৰি, কাছাদল আৰু গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ ডেৰেকত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি যোৰহাট জিলাৰ টীয়ক চাহ বাগিচাত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। বৰপেটা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী দীপ বায়ন আৰু চি পি আইৰ প্ৰাৰ্থী মনোৰঞ্জন তালুকদাৰে আজি প্ৰচাৰ চলায়। একেদৰে চিৰাং জিলাৰ দাংতলত কোকৰাঝাৰ সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সমৰ্থনত বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়োৱে নিৰ্বাচনী প্ৰচাৰ চলায়। কৰিমগঞ্জত আজি বিজেপি প্ৰাৰ্থী কৃপানাথ মাল্লাৰ সমৰ্থনত বিজয় সমাৱেশৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বিধায়ক বিজয় মালাকৰৰ লগতে ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। ইপিনে, মাজুলী জিলাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই যোৰহাট সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

ooooo

লোকসভা নিৰ্বাচনৰ বাবে অসম জাতীয় পৰিষদে আজি ডিব্ৰুগড়ত নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিছে। এই ইস্তাহাৰত মূলতঃ ডিব্ৰুগড় লোকসভা সমষ্টিৰ এলেকাৰ কিছুমান বিশেষ সমস্যা সমাধান তথা উন্নয়নৰ সংকল্প গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে, দলটোৱে ১৪টা লোকসভা সমষ্টিৰ ভিতৰত ডিব্ৰুগড় সমষ্টিত লুৰিনজ্যোতি গগৈক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। ইস্তাহাৰত প্ৰাৰ্থীগৰাকীক সাংসদ হিচাপে নিৰ্বাচিত হ'লে অসমীয়া তথা ৰাজ্যৰ অন্য থলুৱা জনগোষ্ঠীসমূহৰ ভাষিক, সাংস্কৃতিক ঐতিহ্য সুৰক্ষাৰ প্ৰসংগ সংসদত উপস্থাপন কৰাৰ লগতে সেইসমূহ ৰূপায়ণৰ পক্ষত জনমত গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছে। আনহাতে অসম চুক্তিৰ আধাৰত বিদেশী চিনাক্তকৰণ, ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কৰ্তন আৰু

আইনী প্ৰক্ৰিয়াৰে বহিস্কৰণ, অসমীয়াৰ বাবে সাংবিধানিক ৰক্ষা কবচৰ ব্যৱস্থা, সীমান্ত সুৰক্ষা তথা ক্ৰুটিহীন ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ লগতে নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবী সংসদত উত্থাপন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

০০০০০

ৰাজ্যত সমাগত লোকসভা নিৰ্বাচন স্বচ্ছ আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ আয়োগে নিৰাপত্তা আৰু অন্যান্য দিশসমূহো সুক্ষ্মভাৱে তদাৰক কৰি আছে। ৰাজ্যখনত নিৰ্বাচন প্ৰযুক্তিৰ সহায়ত পৰিচালনাৰ বাবে আয়োগে ভালেমান অত্যাধুনিক ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটদাতাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে ইৰোনেট নামৰ ছফট্‌ৱেৰ ব্যৱহাৰৰ উপৰি ৰাজ্যখনত নিৰ্বাচন আচৰণবিধি উলংঘাৰ ঘটনা পৰিলক্ষিত হোৱা মাত্ৰেই নিৰ্বাচন আয়োগক অৱগত কৰিবলৈ চি ভিজিল এপ জনসাধাৰণৰ বাবে মুকলি কৰা হৈছে। এই এপত পঞ্জীয়ন হোৱা ৯০ শতাংশ গোচৰ লাভ কৰাৰ এশ মিনিটৰ ভিতৰত নিষ্পত্তি কৰা হৈছে বুলিও ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জানিবলৈ দিয়ে।

-ভইছ্-

নিৰ্বাচনত স্পৰ্শকাতৰ হিচাপে বিবেচিত হবলগীয়া ভোটকেন্দ্ৰসমূহত ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে কেন্দ্ৰৰ ভিতৰে বাহিৰে চি এ পি এফ অৰ্থাৎ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী নিয়োগ কৰা হ'ব। তদুপৰি ই ভি এমসমূহ অনা-নিয়া কৰা বাহনসমূহত জিপিএছ সংলগ্ন কৰি ৰখা হ'ব। প্ৰায় ২০ হাজাৰখন বাহনত জিপিএছ ট্ৰেকিঙৰ ব্যৱস্থা থাকিব। তেওঁ কয় যে এতিয়ালৈকে নিৰাপত্তা বাহিনীৰ ৬০ টা কোম্পানী নিয়োগৰ ব্যৱস্থা কৰা হৈছে আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহত জনসাধাৰণৰ আহ-যাহৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰখা হৈছে। তেওঁ কয় যে এইবাৰ ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন লোকসকলে ব্ৰেইল পদ্ধতিৰে ভোট দিব পাৰিব।

০০০০০

নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা জাননীৰ বৈধতা সন্দৰ্ভত কাইলৈ উচ্চতম ন্যায়ালয়ে শুনানি গ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ মাৰ্চত জাৰি কৰা নিৰ্দেশনাৱলী স্থগিত ৰাখিবলৈ অসম সন্মিলিত মহাসংঘৰ লগতে বিভিন্ন পক্ষই দাখিল কৰা ২০ খন আবেদনৰ পৰিপ্ৰেক্ষিতত এই শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে ২৩৭টা গোচৰ বিচাৰাধীন হৈ আছে।

০০০০০

ঋতু পৰিৱৰ্তনৰ লগে লগে বসন্তৰ আগমনত চৌদিশ সতেজ হৈ উঠাৰ সময়তে অসমীয়াই পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰাণৰ আপোন ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে।

DHOL MUSIC

এইবেলি নিৰ্বাচনী ব্যস্ততাৰ মাজতে অসমবাসীয়ে উৎসাহ-উদ্দীপনা বজাই ৰাখি বিহু পালন কৰিব। গ্ৰামাঞ্চলত জীয়ৰী-বোৱাৰীয়ে হেঁপাহৰ বিহুৱান বৈ-কাটি উলিয়াইছে। প্ৰযুক্তিয়ে পৰিৱৰ্তন সাধন কৰাৰ সময়তো গ্ৰামাঞ্চলৰ বহু ঠাইত ঢেঁকীৰ শব্দ শুনা গৈছে। মহিলাসকলে বিহুৰ সময়ছোৱাত অতিথি আপ্যায়নৰ বাবে পিঠা-পনা, জা-জলপান যতনাই থোৱাৰ বাবে ঢেঁকীশালত ব্যস্ত হৈ পৰিছে। ইয়াৰ বিপৰীতে ঢুলীয়া-নাচনীসকলৰ বিহুৰ আখৰা প্ৰায় চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ঠায়ে ঠায়ে বিহু ঢোলৰ চেও আৰু বিহুনামে

চৌদিশ মুখৰিত কৰি তুলিছে। সদাব্যস্ত গুৱাহাটী মহানগৰবাসীও ব'হাগক আদৰাৰ বাবে সাজু হৈ উঠিছে। মহানগৰীত মুকলি বিহু উদযাপনৰ লগতে কেইবাখনো ঐতিহ্যমণ্ডিত বিহুতলীত মঞ্চ বিহু উদযাপনৰ প্ৰস্তুতিও প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গুৱাহাটীৰ লতাশিল, গণেশগুৰি, চানমাৰি, বেলতলা, ভৰলুমুখ আদি অঞ্চলত আড়ম্বৰপূৰ্ণভাৱে বিহু উদযাপন কৰা হ'ব। ইপিনে, মঞ্চবিহুত জনসাধাৰণক আমোদ দিয়াৰ বাবে শিল্পীসকলো সাজু হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিহুৰ প্ৰস্তুতিৰ বাবে কৰ্মশালা, আখৰা আদি অন্তিম পৰ্যায়ত উপনীত হৈছে। মৰিগাঁও জিলাত পাঁচদিনীয়াকৈ আয়োজিত বিহু কৰ্মশালাৰ আজি সামৰণি পৰিছে। এই কৰ্মশালাত জিলাখনৰ কমেও ৩০ গৰাকী শিশু আৰু কিশোৰীয়ে অংশগ্ৰহণ কৰে। একেদৰে কাজিৰঙা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কাজিৰঙা উচ্চ মাধ্যমিক বিদ্যালয় খেল-পথাৰত আয়োজিত ঢোল বাদন আৰু বিহু নাচৰ কৰ্মশালাত দুই শতাধিক নাচনী-ঢুলীয়াই অংশগ্ৰহণ কৰিছে।

00000

বিগত ১০ বছৰত বিজেপি চৰকাৰৰ কল্যাণমূলক আঁচনিৰ বাবে ২৫ কোটি জনতাই দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ আজি চত্তীশগড়ৰ কেইবাটাও স্থানত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি কয় যে, বিনামূলীয়া ৰেচন, আয়ুষ্মাণ কাৰ্ড প্ৰদান কৰাৰ ফলত জনতাৰ ব্যয় হ্ৰাস পোৱাৰ লগতে জমাৰ পৰিমাণ বৃদ্ধি হৈছে। কংগ্ৰেছৰ শাসন কালত দুৰ্নীতি দেশৰ পৰিচয় আছিল বুলি উল্লেখ কৰি তেওঁ যিকোনো মূল্যৰ বিনিময়ত দুৰ্নীতিগ্ৰস্তৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিশ্চিতি প্ৰদান কৰে। লগতে তেওঁ দেশৰ জনজাতীয় লোকসকলৰ জীৱন-ধাৰণৰ মান উন্নত কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। চত্তীশগড় ভ্ৰমণৰ সময়ত শ্ৰী মোদীয়ে অমাবল গাঁৱত উপস্থিত হৈ বিজেপিৰ বিজয় সংকল্প ৰেলীত অংশ লয়। দৰিদ্ৰ লোকৰ চিন্তাই বিজেপিৰ প্ৰথম অগ্ৰাধিকাৰ বুলি উল্লেখ কৰি তেওঁ কয় যে, চৰকাৰে এই পৰ্যন্ত ১১ হাজাৰৰো অধিক জন ঔষধী কেন্দ্ৰ মুকলি কৰিছে। বিজেপি চৰকাৰে বিগত ১০ বছৰত দৰিদ্ৰ লোকৰ বাবে ভালেসংখ্যক কল্যাণমূলক আঁচনি গ্ৰহণ কৰা বুলি তেওঁ উল্লেখ কৰে।

আনহাতে, কংগ্ৰেছৰ তাৰকা প্ৰচাৰক ৰাহুল গান্ধীয়ে আজি মধ্যপ্ৰদেশৰ ধনৌৰাত নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

00000

আসন্ন লোকসভা নিৰ্বাচনত ভোটাৰসকলক সজাগ কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। গোলাঘাট জিলাৰ বোকাখাটত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষৰ উদ্যোগত আজি চাইকেল ৰেলীৰ আয়োজন কৰা হয়। বোকাখাট মহকুমাধিপতি কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা এই ৰেলী বোকাখাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সামৰণি পৰে। নিৰ্বাচন আয়োগৰ ৰাজ্যিক আইকন পেৰাচাইক্লিষ্ট ৰাকেশ বনিকে এই ৰেলীত অংশগ্ৰহণ কৰে। অহা ১৯ এপ্ৰিলত হ'বলগীয়া লোকসভা নিৰ্বাচনত যাতে অধিক ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰে লগতে যুৱ ভোটাৰসকলক উৎসাহিত কৰাৰ উদ্দেশ্যেৰে সজাগতা সভা অনুষ্ঠিত হয়। বোকাখাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই সভাত ৰাজ্যিক আইকন গৰাকীয়ে প্ৰলোভীত নোহোৱাকৈ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ ভোটাৰসকলক আহ্বান জনায়। লগতে নিজৰ অধিকাৰ সাব্যস্ত কৰি দেশৰ গণতান্ত্ৰিত প্ৰক্ৰিয়াক শক্তিশালী কৰিবলৈ অনুৰোধ কৰে।

একেদৰে মৰিগাঁও জিলা প্ৰশাসনেও সমাগত লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে জিলাখনৰ জি কে বি মহাবিদ্যালয়ত মহিলা নিৰ্বাচনী বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

ডিব্ৰুগড় লোকসভা সমষ্টিৰ নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষকৰ দায়িত্বত থকা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জয়প্ৰকাশ শিৰহাৰে তিনিচুকীয়াত উপস্থিত হৈ নিৰ্বাচনৰ বাবে নিয়োজিত মাইক্ৰ'অবজাৰ্ভাৰ সকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ মাইক্ৰ'অবজাৰ্ভাৰ সকলক দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায়।

ইপিনে, শোণিতপুৰৰ জিলা আয়ুক্ত তথা শোণিতপুৰ লোকসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়াই সমাগত লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা গণ সুৰক্ষা দলৰ প্ৰাৰ্থী ৰিংকু ৰয় আৰু নিৰ্দলীয় প্ৰাৰ্থী প্ৰদীপ ভাণ্ডাৰীলৈ নিৰ্বাচনী ব্যয় পঞ্জীয়ন বহী নিৰীক্ষণ সম্পৰ্কে পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰত উল্লেখ কৰা অনুসৰি দুয়োগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী ব্যয় পঞ্জীয়ন বহী ব্যয় পৰ্যবেক্ষকৰ আগত দাখিল কৰাত ব্যৰ্থ হৈছে। সেয়েহে তেওঁলোকক অহা ৯ এপ্ৰিলৰ ভিতৰত নিৰ্বাচনী ব্যয় পঞ্জীয়ন বহী ব্যয় পৰ্যবেক্ষকৰ নিৰীক্ষণৰ বাবে দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। প্ৰাৰ্থী দুগৰাকীয়ে এই নিৰ্দেশ অমান্য কৰিলে তেওঁলোকৰ ৰাজহুৱা সমাৱেশ আৰু প্ৰচাৰ চলোৱাৰ অনুমতি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বাতিল কৰা হ'ব।

ooooo

ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই আজি হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ত প্ৰথম দিক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। সমাৰোহত বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ পৰ্যায়ৰ ৫৪৫ গৰাকী শিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ৰাজ্যপালগৰাকীৰ লগতে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য সহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই সমাৰোহত অংশগ্ৰহণ কৰে।

ooooo

অসম লোকসেৱা আয়োগত সংঘটিত পৰীক্ষা কেলেংকাৰী সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে অনুসন্ধান অব্যাহত ৰাখিছে। সেই অনুসৰি আজি বিশেষ তদন্তকাৰী গোটে উলুবাৰীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ত ২০১৩ বৰ্ষৰ পৰীক্ষাৰ দায়িত্বত নিয়োজিত সাত জনকৈ নিৰীক্ষকৰ ভাষ্য গ্ৰহণ কৰে। বিশেষকৈ পৰীক্ষাৰ বহীত থকা স্বাক্ষৰ সন্দৰ্ভত তদন্তকাৰী বিষয়াই নিৰীক্ষক কেইগৰাকীৰ পৰা তথ্য আহৰণ কৰে। উল্লেখযোগ্য যে পূৰ্বে পৰীক্ষা কেলেংকাৰী সন্দৰ্ভত তদন্তকাৰী গোটে বহুকেইগৰাকী ৰাজপত্ৰিত বিষয়াক জেৰা চলাইছিল।

ooooo

গ্ৰীষ্মকালত ৰে'ল যাত্ৰীৰ বৰ্ধিত ভিৰ নিয়ন্ত্ৰণ কৰাৰ বাবে ৰে'ল বিভাগে অহা ১২ এপ্ৰিলৰ পৰা ২৯ জুনলৈ জাগীৰোড আৰু শিয়ালদহৰ মাজত এখন বিশেষ এচি ৰে'ল চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তৰফৰ পৰা সদৰী কৰা মতে এই বিশেষ ৰে'লখনে প্ৰতি শুকুৰবাৰে পুৱা ৯ বজাত শিয়ালদহৰ পৰা যাত্ৰা আৰম্ভ কৰি পিছদিনা পুৱা চাৰে ৬ বজাত জাগীৰোডত উপস্থিত হ'ব। আনহাতে ওভটনি যাত্ৰাৰ দিশত প্ৰতি শনিবাৰে জাগীৰোডৰ পৰা দুপৰীয়া ১ বজাত প্ৰস্থান কৰি পৰৱৰ্তী দিনৰ দুপৰীয়া ১ বজাত শিয়ালদহত গৈ উপস্থিত হ'ব। এই বিশেষ ৰে'লখন উভয় দিশৰ যাত্ৰাৰ সময়ত গুৱাহাটী, গোৱালপাৰা, নিউ বঙাইগাঁও, নিউ আলিপুৰ দুৱাৰ, নিউ জলপাইগুড়ি, কিষাণগঞ্জ, মালদাহ, জংগীপুৰ ৰোড, আজিমগঞ্জ, বান্দেল আৰু নৈহাটি হৈ চলাচল কৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া খেলত চেন্নাই ছুপাৰ কিংছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঃসমাপ্তঃ